(আগৰ সংখ্যাৰ পিছৰ পৰা)

# গ্ৰহণৰ ভৱিষ্যৎবাণী

তপন কুমাৰ শৰ্মা

ছিৰিয়াৰ এখন পুৰণি বন্দৰ চহৰ ইউগাৰিতত বহু মাটিৰে নিৰ্মিত ফলি পোৱা গৈছে। তাৰে এখনত সূৰ্যগ্ৰহণৰ কথা উল্লেখ আছে। ফলিখন ১৯৪৮ চনত আৱিষ্কাৰ হৈছিল। অলপতে ফলিখনত থকা কথাখিনি পাঠোদ্ধাৰ হ'ল আৰু সেইমতে গ্ৰহণৰ সময় ৩মে',১৩৭৫ খ্ৰী:পূ: বুলি অনুমান কৰা হৈছে।

ইউগাৰিত এখন পৌৰাণিক উপকূলীয় চহৰ,ভূমধ্য সাগৰৰ পূব উপকূলত ,বৰ্তমান ছিৰিয়াৰ পশ্চিম সাগৰ তীৰৰ চহৰ। খ্ৰী:পূ: ১৯০০ৰ পৰা ১২০ঋ লৈ তাত বৃহৎ নগৰীয়া সভ্যতা আছিল।তাত উদ্ধাৰ হোৱা পৌৰাণিক ৰাজকাৰেঙত বহুবোৰ মাটিৰ ফলিত লিখিত তথ্য পোৱা গ'ল,য'ত প্ৰশাসনিক,আইনী আদি তথ্যৰ উপৰিও আছে জ্যোৰ্তিবিজ্ঞানৰ তথ্য সন্নিৱিষ্ট হৈ আছে।

সমগ্ৰ মধ্যপ্ৰাচ্য,বিশেষকৈ টাইগ্ৰীচ আৰু ইউফ্ৰেটিচ নৈয়ে ধুৱাই নিয়া অংশ,পূব ভূমধ্যসাগৰ অঞ্চল,বৰ্তমান ছিৰিয়া অঞ্চল পৌৰাণিক ছুমেৰীয়,মেছপটেমিয়া আৰু বেবিলনীয় সভ্যতাৰ পীতস্থান।



ইউগাৰিতৰ পৰা কিছু পূবত ইবালা নামৰ আন এখন চহৰ অৱস্থিত।১৯৭৪-৭৫ চনত এই চহৰখনত পুৰাতাত্বিক খনন কাৰ্য চলিছিল। তাতে প্ৰায় ১৮০০খন মাটিৰ ফলি পোৱা গৈছে।এই ফলকবোৰত খ্ৰী:পূ: ২৫০০ৰ পৰা খ্ৰী:পূ:১২০০ চনলৈকে ইতিহাস আছে।

এতিয়া ক্লে টেবলেট বা মাটিৰ ফলিবোৰ কেনেকৈ পঢ়া যাব? সেইবোৰ পাঠ কৰা অসম্ভৱৰ দৰে। পিছে মানুহে বহু অসম্ভৱকো সম্ভৱ কৰি তুলিছে। ইজিপ্তৰ হে'ৰোগ্লিফচ (hieroglyphs) লিপিৰ পৰা মেছপটেমিয়াৰ কিউনে'ফৰ্ম (Cuneiform) লিপিলৈকে প্ৰায়বোৰৰ অৰ্থ ভঙা হৈছে। ২০বছৰৰ পৰিশ্ৰমৰ অন্তত ইউগাৰিতত পোৱা মাটিৰ ফলি এখনত গ্ৰহণৰ তথ্য উদ্ধাৰ হ'ল।

ফলি নম্বৰ  KTC 1.78,তাত উল্লেখ আছে - "দিনটোৰ ষষ্ঠ ঘন্টাত হিৰায়ু মাহৰ অমাৱস্যাৰ দিনা সূৰ্যটো ঢাক খালে,সাক্ষী থাকিল  Rsp,অৰ্থাৎ মঙ্গল গ্ৰহ।

ওপৰৰ বৰ্ণনামতে ইউগাৰিত চহৰৰ পূৰ্ণগ্ৰাস সূৰ্যগ্ৰহণৰ সময়ত সূৰ্যৰ আশে-পাশে মঙ্গল গ্ৰহটো আছিল।আমি কৈছিলো যে নাছাই খ্ৰী:পূ: ১৯০০ মানলৈকে সকলো গ্ৰহণৰ সম্পূৰ্ণ বিৱৰণ আৰু মেপ তৈয়াৰ কৰি পেলাইছে।সেই হিচাপত ইউগাৰিত চহৰৰ সূৰ্যগ্ৰহণৰ তাৰিখ দেখা গ'ল ৫মাৰ্চ,১২২৩খ্ৰী:পূ:,ফলিত থকা ৩মে',১৩৭৫ খ্ৰী:পূ: নহয়।

ইজিপ্তীয়সকলে বেলি উদয় হোৱা আৰু মাৰ যোৱা সময়ক দহভাগত/ঘন্টাত ভাগ কৰিছিল।বিভিন্ন তথ্য-পাতিৰ সহায়ত কব পাৰি যে ইউগাৰিকসকলে ইজিপ্তীয় কেলেণ্ডাৰ আৰু সময় মানি চলিছিল।সেইহিচাপত মাটিৰ ফলকত লিখা ৬ষ্ঠ ঘন্টা মানে বিয়লি ১:২০ বজাত আৰু আধুনিক গণনাত উল্লেখিত চনত উক্ত সময়ত ইউগাৰিত সূৰ্যগ্ৰহণ হৈছিল।

এইটো অৱশ্যে ভৱিষ্যতবাণী নহয়,ঘটি যোৱা ঘটনা এটাহে লিপিবদ্ধ কৰা হৈছিল। ইংলেণ্ডৰ ষ্টনহেঞ্জৰ কথা শুনিছোঁ,পঢ়িছোঁ,অভিভূত হৈছোঁ।আপোনালোকৰ বহুতেই জানে যে ইংলেণ্ডৰ এমেচবাৰিৰ ওচৰত থকা চালিচবাৰিত থকা পৌৰাণিক শিলৰ ওখ  খুঁটাবোৰক ষ্টনহেঞ্জ



বোলে,এইবোৰ প্ৰাগঐতিহাসিক যুগৰ।পাছত জনা গ'ল এইবোৰ যাদৃচ্ছিকভাৱে পৰি ৰোৱা বা সজাই থোৱা নহয়।এইবোৰ এনে পৰিকল্পিতভাৱে সজ্জিত যে ই সূৰ্য জাৰ আৰু জহৰ শেষ সীমাত পৰিলে ,মানে কৰ্কটক্ৰান্তি আৰু মকৰক্ৰান্তিত পৰিলে ছাঁ কেনেকুৱা হব তাৰ নিৰ্দেশ দিয়ে।এয়া আদি যুগৰ মান মন্দিৰ বা অৱজাৰভেটৰী। এইবোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ।

পৌৰাণিক,অতি পৌৰাণিক গ্ৰহণৰ ভৱিষ্যৎবাণী আৰু ৰেকৰ্ড বিচাৰোঁতে আয়াৰলেণ্ডৰ শিলৰ স্মাৰক পালোঁগৈ।ই আন এক ষ্টনহেঞ্জ। ৫০০০বছৰ পুৰণি, খ্ৰী:পূ: ৩০০০। ইয়াতো পৌৰাণিক শিলৰ সজ্জা আছে।যধেমধে পৰি থকা শিলকেইটাৰো নিৰ্দিষ্ট সজ্জা আছে আৰু ইহঁতেও সূৰ্যৰ ছাঁ নিৰ্দেশ কৰে।আচৰিত কথাটো হ'ল শিল কেইটাই চন্দ্ৰৰ পৰিঘটনা এটা নিৰ্দেশ কৰে।আগতে কৈছিলোঁ- চন্দ্ৰ,সূৰ্য আৰু পৃথিৱী ১৮৬ বছৰৰ মূৰত একে জ্যামিতিক সজ্জালৈ আহে,যাক ছৰাচ চক্ৰ বোলে।আয়াৰলেণ্ডৰ শিলৰ স্মাৰকৰ একেবাৰে সোঁহাতৰ আৰু বাওঁহাতৰ শিলদুটা চন্দ্ৰৰ

এইচক্রৰ লগত মিলাকৈ সজ্জিত।এই বৰ্ণনাটো যথেষ্ট উত্তেজনাপূৰ্ণ। কিন্তু এতিয়া অন্য এটা উত্তেজনাপূৰ্ণ কথাহে কবলৈ ওলাইছোঁ।

শিলকেইটাৰ গাত অঁকা আছে কিছুমান চিত্ৰ,ভালকৈ চাই দেখা গ'ল চিত্ৰবোৰে সূৰ্যগ্ৰহণ আৰু চন্দ্ৰগ্ৰহণ নিৰ্দেশ কৰিছে।নাছাই উল্লখ কৰামতে ৩০নৱেম্বৰ ৩৩৪০খ্ৰী:পূ:ত হোৱা এটি সূৰ্যগ্ৰহণ ইয়াত চিত্ৰিত হৈছে।আয়াৰলেণ্ডৰ প্ৰখ্যাত পুৰাতত্ববিদ পল গ্ৰিফিনে এইবোৰ ১৯৯৯চনত ভালকৈ অধ্যয়ন কৰে।এটা ৱেবচাইটত তেওঁ কয় যে এষ্ট্ৰ'ন'মি ছফটৱেৰৰ সহায়ত গণনা কৰি তেওঁ দুটা খুটাৰ সজ্জা মিলাই চাইছিল আৰু দেখিবলৈ পালে যে ২০০২চনৰ সূৰ্যগ্ৰহণ খুটাদুটাৰ লগত সম্পূৰ্ণ একেশাৰীত আছিল।

আয়াৰলেণ্ডৰ শিলৰ স্মাৰকেই হওক বা ষ্টনহেঞ্জেই হওক,সেইবোৰ একেদিনাই বা এবছৰ দুবছৰত সজা নহয়।এইবোৰ হাজাৰ হাজাৰ বছৰ চন্দ্ৰ,সূৰ্য,ৰ'দৰ ছাঁ পৰ্যৱেক্ষণ কৰি শিলৰ সজ্জাবোৰ মিলাইছিল। গ্ৰিফিনে আৰু এটা আমোদজনক কথালৈ আঙুলিয়াই দিছে।আয়াৰলেণ্ডৰ শিলৰ স্মাৰকৰ পৰা অলপ দূৰত ৪৮জন পৌৰাণিক মানৱৰ পোৰা হাড়ৰ টুকুৰা পোৱা গৈছে।গ্ৰিফিনে এই ঘটনাক এনেধৰণে ব্যাখা কৰিছে - গ্ৰহণবোৰে পৌৰাণিক মানৱসকলৰ মাজত ভয়ৰ সঞ্চাৰ কৰিছিল আৰু আকাশীয় সূৰ্যক বচাবলৈ তেওঁলোকে নৰবলি দিছিল।

"অসম্ভৱ বুলি কোনো কথা নাই, আচৰিত হ'বলগীয়া একো নাই, কিয়নো অলিম্পিয়ান দেৱতা জিউচ,তেওঁ ভৰদুপৰীয়াক মাজনিশা কৰিলে,ৰৌদ্ৰোজ্জ্বল সূৰ্যক লুকুৱাই ধৰিলে,মানুহৰ মাজত বেদনা বিয়পি পৰিল।"



এইটো খ্ৰী:পূ: সপ্তম শতিকাৰ গ্ৰীক কবি আৰ্চিলোচাচৰ কবিতা। কবিতাটোত স্পষ্টভাৱে এটি পূৰ্ণগ্ৰাস সূৰ্যগ্ৰহণৰ কথা কৈছে। পাছত কোৱা হৈছে ৬এপ্ৰিল,৬৪৭খ্ৰী:পূ:ত নতুবা ২৭জুন,৬৬০খ্ৰী:পূ:ত এটি পূৰ্ণগ্ৰাস সূৰ্যগ্ৰহণ হৈছিল।এতিয়া কোন এই গ্ৰীক কবি আৰ্চিলোচাচ?

আকৌ বিচাৰ-খোঁচাৰ।কবিজনৰ বিষয়ে পোনপটীয়া৷ ঐতিহাসিক তথ্য ক'ম।পাছৰ যুগৰ মনিষীসকলৰ লেখাত তেখেতৰ বিষয়ে উল্লেখ আছে,বিশেষকৈ এৰিষ্টটলৰ লেখাত।সেই সূত্ৰৰ পৰা জানিব পোৱা মতে,আৰ্চিলোচাচ গ্ৰীচৰ পাৰচ দ্বীপৰ অধিবাসী আছিল আৰু তেওঁ সৈন্যবাহিনীত কাম কৰিছিল। তেখেতৰ জন্ম এটি সম্ভ্ৰান্ত পৰিয়ালত হৈছিল।তেখেতৰ মাতৃ এনিপ' এগৰাকী দাস আছিল আৰু তেওঁৰ পিতৃয়ে থাচচ নামৰ এখন চহৰ নিৰ্মাণ কৰিছিল।ইলিয়াড আৰু অ'ডিচিৰ ৰচক,মহাকবি বুলি খ্যাত হোমাৰৰ কাব্যশৈলীৰ প্ৰভাৱ আৰ্চিলোচাচৰ কবিতাত আছে বুলি ভৱা যায়।প্লেটো-এৰিষ্টটলৰ আগৰ যুগৰ তিনিগৰাকী কবিক উচ্চ আসন দিয়া হয়,সেয়া হ'ল -হোমাৰ,আৰ্চিলোচাচ আৰু (শ্ৰীমতী) চফো। আমাৰ মূল কথা হ'ল আৰ্চিলোচাচে এটি কবিতাত সেই সময়ৰ পূৰ্ণগ্ৰাস সূৰ্যগ্ৰহণৰ এটা লিপিবদ্ধ কৰি গ'ল।

(আগলৈ)

**********